# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 06-June-2026 **Time :** 0755 Hrs.

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্যিক মন্ত্ৰীসভাত স্থান লাভ কৰা ১২ গৰাকী মন্ত্ৰীৰ কালি শপতগ্ৰহণৰ পাছতেই সন্ধিয়া নৱগঠিত চৰকাৰৰ দ্বিতীয়খন কেবিনেট বৈঠক অনুষ্ঠিত হয়। লোকসেৱা ভৱনত হোৱা কেবিনেট বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি সকলো মন্ত্ৰী উপস্থিত থাকে। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই সংবাদমাধ্যমকো সম্বোধন কৰি কেবিনেট বৈঠকত হোৱা বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই সংবাদমেলত কোৱা অনুসৰি সাতদিনৰ ভিতৰত নতুন মন্ত্ৰীসকলক দপ্তৰ বিতৰণ কৰা হ'ব। কিন্তু আজিৰ ভিতৰতে বিভিন্ন জিলাৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব বিতৰণ কৰা হ'ব। কালিৰ কেবিনেটে ৰাজ্য চৰকাৰৰ সকলো কৰ্মচাৰীৰ মৰগীয়া বানচ ৫৮ শতাংশৰ পৰা বৃদ্ধি কৰি ৬০ শতাংশ কৰাত অনুমোদন জনায়। লগতে বিধায়ক উন্নয়ন পুঁজিৰ এইবছৰ ডেৰ কোটি টকালৈ বৃদ্ধি কৰা হয় আৰু অহা বিত্তীয় বৰ্ষৰ পৰা এই পুঁজি দুই কোটি টকালৈ বৃদ্ধি কৰা হৈছে। ২ কোটি টকাৰ ভিতৰত ১০ শতাংশ টকা অন্যান্য ব্যয়ৰ বাবে ধৰা হ'ব। অৰ্থাৎ ১ কোটি ৮০ লাখ টকা মূল পুঁজিৰ বাবে ব্যৱহাৰ হ'ব আৰু ২০ লাখ টকা অন্যান্য ব্যয়ত খৰচ হ'ব।

বাইট (চি এম)

মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰা অনুসৰি অহা ৬ জুলাইৰ পৰা ২১ দিনৰ বাবে বিধানসভাৰ বাজেট অধিৱেশন অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে বাজেট গৃহীত হোৱাৰ পাছত ১ আগষ্টৰ পৰা ৰাজ্য চৰকাৰৰ প্ৰতিখন আঁচনি পুনৰ নিয়মিতভাৱে কাৰ্যকৰী কৰা হ'ব। কেবিনেটে ৰাজ্যখনৰ দ্বিতীয় ৰাজধানী ডিব্ৰুগড় উন্নয়ন পৰিষদ গঠন কৰি ৰাজধানী চহৰখন ২০ কিলোমিটাৰ ব্যাসাৰ্ধলৈকে উন্নয়নৰ সিদ্ধান্ত গ্ৰহণ কৰে। দ্বিতীয় ৰাজধানী চহখনৰ উন্নয়নৰ বাবে ৫০০ কোটি টকা ধাৰ্য কৰাৰ লগতে ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনক দ্বিতীয় ৰাজধানীৰ অধ্যক্ষ হিচাপে অনুমোদন জনায়। অধ্যক্ষগৰাকীয়ে কেবিনেট মৰ্যাদা লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে সংবাদমেলত প্ৰকাশ কৰে।

কালিৰ কেবিনেটে বিদ্যালয়সমূহৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলক তৃতীয় শ্ৰেণীলৈ পদোন্নতি দিয়াৰো সিদ্ধান্ত গ্ৰহণ কৰে।

ইপিনে, মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰঙাপৰাৰ বিধায়ক কৃষ্ণকমল তাঁতী আৰু নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈক মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব হিচাপে নিযুক্তি দিয়ে।

০০০০০০০

ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মূল আঁচনিৰ অসমৰ পৰামৰ্শদাতা হিচাপে সেৱা আগবঢ়াই অহা প্ৰসেনজিৎ দাসে কালি টিবি মুক্ত ভাৰত অভিযানৰ জিলা পৰ্যায়ৰ অগ্ৰগতিৰ পৰ্যৱেক্ষণ আৰু তদাৰকীৰ উদ্দেশ্যে কালি শিৱসাগৰ জিলা ভ্ৰমণ কৰে। এই ভ্ৰমণকালত তেওঁ শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ এক্সৰে কেন্দ্ৰটো পৰিদৰ্শন কৰি চিকিৎসালয়ৰ অধীক্ষকৰ সৈতে মত বিনিময় কৰে। শ্ৰী দাসে ৰাজমাই চাহ বাগিচাত আয়োজিত নিক্ষয় শিবিৰত বাগিচাৰ চিকিৎসা বিষয়া, ব্যৱস্থাপক আৰু সহকাৰী ব্যৱস্থাপকৰ সৈতে আলোচনা কৰে। পৰৱৰ্তী সময়ত তেওঁ আঠাবাৰী চাহবাগিচাৰ নিক্ষয় শিবিৰৰ হেণ্ডহেল্ড এক্সৰে সেৱাও পৰিদৰ্শন কৰে। এই পৰিদৰ্শনৰ সময়ত জিলাখনৰ ডিটিঅ', এন টি ই পিৰ লগতে বিভাগটোৰ অন্যান্য কৰ্মচাৰীসকল উপস্থিত থাকে। জিলাখনত টিবি নিৰ্মূলৰ বাবে চলি থকা কাৰ্যসূচীৰ অগ্ৰগতিৰ প্ৰশংসা কৰি শ্ৰীদাসে অধিক সক্ৰিয় আৰু সমন্বয়েৰে অভিযান আগবঢ়াই নিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক আহ্বান জনায়।

০০০০০০০

ডিব্ৰুগড়ত কালি জিলা ক্ৰীড়া সন্থাৰ কাৰ্যালয়ত ভাৰতীয় মহিলা ক্ৰিকেট দলক প্ৰতিনিধিত্ব কৰা অসম জীয়ৰী উমা ছেত্ৰীক সম্বৰ্ধনা জনোৱা হয়। জিলাখনৰ জালান আউটড'ৰ ষ্টেডিয়ামত চলি থকা লিবাৰ্টি কাপ মহিলা টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ অহা অসমৰ খেলুৱৈগৰাকীক জিলা ক্ৰীড়া সন্থাৰ সভাপতি, সম্পাদক আৰু ভালেসংখ্যক বিষয়ববীয়া তথা সদস্যই গামোচা, চেলেং চাদৰ, মগাৰ সাজ আৰু ফুলৰ থোপাৰে আদৰণি তথা সম্বৰ্ধনা জনায়। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটাৰ উমা ছেত্ৰীয়ে  সম্বৰ্ধনা গ্ৰহণ কৰি আনন্দিত হোৱাৰ লগতে জালান আউটড'ৰ ষ্টেডিয়ামৰ আন্তঃগাঁথনিৰ প্ৰশংসা কৰে।

0000000

**সমাপ্ত**